সদৌ

অসম প্ৰগতি ছাত্ৰ ফ্ৰণ্ট্‌ৰ

# গঠন-তন্ত্ৰ

**Constitution of the All Assam Progressive Student Front.**

সদৌ অসম প্ৰগতি ছাত্ৰফ্ৰণ্ট,
হেড্‌ অফিচ—গুৱাহাটী
১৯৫৮ চন।

মূল্য ৵০

OKDISCD

## সংগঠনৰ নাম— "সদৌ অসম প্ৰগতি ছাত্ৰ ফ্ৰণ্ট"

## ( All Assam Progressive Student Front )

**উদ্দেশ্য—**

নতুন যুগৰ ছাত্ৰ সমাজৰ আদৰ্শ—মুক্তি, শান্তি, প্ৰগতিৰ বাস্তৱ ৰূপ দি সমগ্ৰ ছাত্ৰ সমাজক অনুপ্ৰাণিত কৰি সৰ্ব্বপ্ৰকাৰ প্ৰগতিশীল গণতান্ত্ৰিক আন্দোলনৰ মাজেদি ছাত্ৰসকলক আগুৱাই নিব। ছাত্ৰসকলৰ গণতান্ত্ৰিক অধিকাৰ প্ৰতিষ্ঠা কৰি বৰ্ত্তমান আমোলা-তান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন কৰি কাৰ্য্য-কৰী সমাজতান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰি ছাত্ৰ-জীৱন সৰস, সুস্থ আৰু সজীৱ কৰি তুলিব। ছাত্ৰৰ সকলো গণ-তান্ত্ৰিক দাবীৰ ভিত্তিত প্ৰবল ছাত্ৰ আন্দোলন গঢ়ি তুলি ছাত্ৰৰ মাচুল বৃদ্ধি, বৰ্ত্তমান চৰকাৰৰ প্ৰতিক্ৰিয়াশীল শিক্ষানীতি আৰু শিক্ষাপদ্ধতি আদি, শিক্ষা সম্পৰ্কীয় সকলো সমস্যাৰ সমাধানৰ পথত ছাত্ৰ সমাজক সংগঠিত কৰি দৃঢ়তাৰে আৰু নিৰ্ভিক ভাৱে নেতৃত্ব দি আগুৱাই নিব। যিহেতু ছাত্ৰ সমাজ শোষিত জনসাধাৰণৰ এক অবিচ্ছেদ্য অংশ—জনসাধাৰণৰ ৰাজনৈতিক আৰু অৰ্থ নৈতিক জীৱনৰ লগত ছাত্ৰ সমাজৰ নিবিড় সম্বন্ধ; গতিকে প্ৰগতিশীল গণ-আন্দোলনক সাহায্য কৰা আৰু পৰি-পুষ্ট কৰাও প্ৰগতি ছাত্ৰ ফ্ৰণ্টৰ লক্ষ্য। প্ৰগতিশীল সংস্কৃতিৰ দ্বাৰা গণ-মনক তথা সমাজক উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰি সমাজক প্ৰগতিৰ পথত আগুৱাই নিবলৈ সংস্কৃতিৰ বিপুল বিকাশৰ ফালেও লক্ষ্য ৰাখিব। ই কোনো ৰাজনৈতিক দলৰ নেজ হিচাবে কাম নকৰিব—কিন্তু প্ৰগতিশীল চিন্তাধাৰা আৰু আন্দোলনক সম্পূৰ্ণ সহায় কৰিব।

OKDISCD

## সাংগঠনিক নীতি :—

১। সভ্যপদ :— (ক) ১৪ বছৰৰ ওপৰৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে "সদৌ অসম প্ৰগতি ছাত্ৰ ফ্ৰন্ট"ৰ সভ্য হব পাৰিব ।

(খ) সংগঠনৰ নিয়মাৱলী মানি চলিব লাগিব ।

(গ) সভ্যপদৰ বৰঙনি আদায় কৰিব লাগিব ।

(ঘ) শিক্ষা জীৱন সাং হোৱাৰ এবছৰৰ পিছলৈকে ইয়াৰ সভ্য হৈ থাকিব পাৰিব, কিন্তু এবছৰৰ পিচত সভ্য হোৱাৰ ক্ষমতা নেথাকিব ।

(ঙ) প্ৰতিজন সভ্যৰ সংগঠনৰ নীতি আৰু কৰ্ম্ম-পন্থাৰ প্ৰতি আনুগত্য আৰু শ্ৰদ্ধা থাকিব লাগিব ।

২। সভ্য পদৰ কাল :— প্ৰতি বছৰে নতুনকৈ সভ্য হব লাগিব । এবাৰ সভ্য হোৱাৰ পিচত মাত্ৰ এবছৰ কাললৈকেহে সভ্য-পদৰ ক্ষমতা থাকিব ।

৩। সভ্যৰ অধিকাৰ :— "সদৌ অসম প্ৰগতি ছাত্ৰ ফ্ৰন্টৰ" প্ৰতিজন সভ্যৰ ৰাজনৈতিক; সাংগঠনিক আৰু নীতিগত বিষয়ত মতামত প্ৰকাশ কৰিব পৰা আৰু অংশ গ্ৰহন কৰিব পৰা ক্ষমতা থাকিব । সংগঠনৰ কোনো কোনো নীতি বা কাৰ্য্যৰ বিষয়ে মতভেদ হলে, তাক স্থানীয় সংগঠন কমিটিৰ যোগেদি জিলা বা প্ৰাদেশিক কমিটিৰ লগত যোগাযোগ কৰি ঠিক কৰি লব পাৰিব । কোনো সভ্যই প্ৰগতি ছাত্ৰ ফ্ৰন্টৰ নিয়মিত অধিবেশনৰ বাহিৰত সংগঠনৰ কাৰ্য্য আৰু নীতি সম্পৰ্কীয় বৈষম্য মূলক সমালোচনা কৰিলে শৃঙ্খলা ভঙ্গ কৰা বুলি স্বীকৃত হব ।

OKDISCD

## ৪। কমিটী গঠন—

(১) প্ৰাথমিক কমিটি ( Primary Unit )— প্ৰত্যেক শিক্ষা অনুষ্ঠানত ১০ জনতকৈ অধিক সভ্য হলে একোটা প্ৰাথমিক কাৰ্য্যকৰী কমিটী গঠিত হব। ই সাংগঠনিক কমিটীৰ দৰে কাম কৰিব। এই কমিটিত ৫জনৰ পৰা ৭ জনলৈ সদস্য থাকিব আৰু কমিটীয়ে সভাপতি, সহঃ সভাপতি, সম্পাদক, সহঃ সম্পাদক আৰু ধনভঁৰালী নিৰ্ব্বাচন কৰিব।

(২) শাখা কমিটী (Area Committee)—দুটা বা ততোধিক প্ৰাথমিক কমিটীৰ নিৰ্ব্বাচিত প্ৰতিনিধিক লৈ একোটা শাখা কমিটী গঠিত হব। ই একোটা অঞ্চলৰ সংগঠন পৰিচালনা কৰিব। এই কমিটীত ৭ জনৰ পৰা ৯ জনলৈ সদস্য থাকিব আৰু কমিটীয়ে সভাপতি, সহ: সভাপতি, সম্পাদক, সহঃ সম্পাদক আৰু ধন ভঁড়ালী নিৰ্ব্বাচন কৰিব।

প্ৰাথমিক আৰু শাখা কমিটীবিলাকে স্থানীয় সংগঠন সম্পৰ্কীয় সকলো দায়ীত্ব গ্ৰহণ কৰিব। জিলা আৰু প্ৰাদেশিক কমিটিৰ লগত ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰিব। উচ্চ কমিটীৰ নিৰ্দ্দেশসমূহ কাৰ্য্যকৰী কৰাত তৎপৰ হব। আৰু সংগঠনৰ নিয়মিত ৰিপৰ্ট দি থাকিব।

(৩) জিলা কমিটী—[ক] ৩ খন বা ততোধিক শাখা কমিটী গঠিত হলেহে একোটা নিয়মিত জিলা কমিটী গঠন হব পাৰিব। ৩ খনতকৈ কম শাখা কমিটী গঠিত হলে জিলা সাংগঠনিক কমিটী হিচাবে সংগঠন হব। জিলা কাৰ্য্যকৰী কমিটীত ১১ জনৰ পৰা ১৫ জনলৈ সদস্য থাকিব। কমিটীয়ে সভাপতি, সহঃ সভাপতি, সম্পাদক

সহঃ সম্পাদক আৰু ধনভঁড়ালী নিৰ্ব্বাচন কৰিব।

(খ) প্ৰতিবছৰে জিলাৰ বাৰ্ষিক অধিবেশন ৰহিব। বাৰ্ষিক অধিবেশনতেই নতুন কাৰ্য্যকৰি কমিটী নিৰ্ব্বাচিত হব। অধিবেশনলৈ প্ৰত্যেক প্ৰাথমিক কমিটীৰ পৰা জিলা কমিটীৰ দ্বাৰা নিৰ্দ্ধাৰিত সংখ্যক প্ৰতিনিধি নিৰ্ব্বাচিত হৈ আহিব লাগিব।

(গ) জিলা সম্পৰ্কীয় যি কোনো সমস্যাৰ বিষয়ে আলোচনা কৰিব লগীয়া হলেই সম্পাদকে কাৰ্য্যকৰি কমিটী বহোৱাব আৰু কমিটীৰ দুই-তৃতীয়াংশ সদস্য উপস্থিত থাকিলেই "কোৰাম" হব।

(ঘ) জিলা কমিটীৰ সিদ্ধান্তবোৰ বিভিন্ন শাখা কমিটীক এসপ্তাহৰ ভিতৰত জনাব। য'ত শাখা কমিটী গঠন হোৱা নাই, তাত প্ৰাথমিক কমিটী সমূহক জনাব। প্ৰাথমিক কমিটীৰ বা শাখা কমিটীৰ কোনো আপত্তি বা সংশোধনী আহিলে তাক জিলা কমটীয়ে পূনৰ্বিবেচনা কৰিব।

(ঙ) প্ৰাদেশিক কমিটীৰ লগত ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰি জিলা কমিটীয়ে কাম চলাব আৰু সংগঠনৰ ৰিপোৰ্ট আদি দিব।

৫। প্ৰাদেশিক কমিটী :— ৩খন বা ততোধিক জিলা কমিটি গঠিত হলেহে প্ৰাদেশিক কমিটী গঠিত হব।

(ক) প্ৰাদেশিক কাৰ্য্যকৰী কমিটী প্ৰদেশৰ সৰ্ব্বোচ্চ কমিটী। প্ৰদেশৰ সংগঠন মুলক আৰু নীতিমূলক সকলো কথাকেই প্ৰাদেশিক কাৰ্য্যকৰী কমিটীয়ে বিবেচনা, আলোচনা আৰু সিদ্ধান্ত কৰিব পাৰিব। গোটেই প্ৰদেশৰ জিলা, শাখা

আৰু প্ৰাথমিক সংগঠনৰ লগত ঘনিষ্ঠ যোগাযোগ ৰাখি সকলো সিদ্ধান্ত লব ।

(খ) প্ৰাদেশিক কমিটীত ১৭ জনৰ পৰা ২১ জনলৈকে সদস্য থাকিব । কমিটীয়ে সভাপতি, সহঃ সভাপতি, সম্পাদক, সহঃ সম্পাদক আৰু ধনভঁৰালী নিৰ্ব্বাচন কৰিব । এই কমিটীয়ে প্ৰয়োজন অনুপাতে সাংগঠনিক সম্পাদক আৰু অফিচ সম্পাদক নিয়োগ কৰিব ।

[গ] প্ৰাদেশিক কাৰ্য্যকৰী কমিটী প্ৰত্যেক বাৰ্ষিক অধিবেশনত নিৰ্ব্বাচিত আৰু গঠিত হব ।

[ঘ] প্ৰাদেশিক কাৰ্য্যকৰী কমিটীয়ে গোটেই প্ৰদেশৰ সংগঠনৰ সম্পূৰ্ণ দায়ীত্ব লব । অসংগঠিত জিলা বা অঞ্চলত সংগঠন কৰা দায়ীত্বও বহন কৰিব ।

[ঙ] কাৰ্য্যকৰী কমিটীৰ এক-তৃতীয়াংশ সদস্য উপস্থিত থাকিলেই "কোৰাম" হব ।

[চ] প্ৰাদেশিক কাৰ্য্যকৰী কমিটী বছৰত অন্ততঃ ৪বাৰকৈ বহিব । সাধাৰণ সম্পাদকে সকলো সিদ্ধান্ত আৰু আলোচনাৰ বিৱৰণ ৰাখিব আৰু সিদ্ধান্তসমূহ কাৰ্য্যকৰী কৰিবৰ বাবে জিলা কমিটিসমূহক এসপ্তাহৰ ভিতৰত জনাব ।

[ছ] প্ৰাদেশিক কমিটীয়ে অনুভৱ কৰিলে বিশেষ অধিবেশন বহুৱাব পাৰিব । বিশেষ ঘটনা বা সমস্যাৰ তদন্ত বা পৰিচালনাৰ কাৰণে প্ৰাদেশিক কমিটীয়ে বিশেষ কমিটী নিয়োগ কৰিব পাৰিব ।

[জ] প্ৰাদেশিক বাৰ্ষিক অধিবেশনলৈ বিভিন্ন জিলাৰ পৰা কিমান প্ৰতিনিধি [illegible]াব পাৰিব— তাক প্ৰাদেশিক কমি-

OKDISCD

টীয়ে নিৰ্ণয় কৰি দিব।

[ঝ] সাধাৰণ সম্পাদকে সমগ্ৰ সংগঠনৰ কাৰ্য্যাৱলী আৰু উন্নতিৰ একোটা চমু বিৱৰণী ৩ মাহৰ মূৰে মূৰে সংগঠনৰ মুখপত্ৰৰ যোগেদি ডাঙি ধৰিব।

[ঞ] প্ৰাদেশিক অধিবেশনত গৃহীত হবলগীয়া সকলো প্ৰস্তাৱ অধিবেশনলৈ নিৰ্ব্বাচিত প্ৰতিনিধিসকলৰ বিষয় বাচনি সভাত গৃহীত হব লাগিব।

[ট] বাৰ্ষিক অধিবেশনত কাৰ্য্যকৰী কমিটীৰ কৰ্ম্মকৰ্ত্তাসকলে পদ-ত্যাগ কৰিব আৰু নতুন কাৰ্য্যকৰী কমিটীৰ সম্পাদকৰ ওচৰত প্ৰাক্তন সম্পাদকে সংগঠনৰ বিস্তৃত বিৱৰণী দাখিল কৰিব আৰু সংগঠনৰ হিচাব-পত্ৰও বুজাই দিব।

[ঠ] প্ৰাদেশিক কাৰ্য্যকৰী কমিটীয়ে সংগঠনৰ বিভিন্ন-শাখাবোৰ যাতে সক্ৰিয় হৈ থাকে তাৰ ব্যৱস্থা কৰিব।

[ড] কাৰ্য্যকৰী কমিটীবোৰত যি কোনো প্ৰস্তাৱ অধিক সংখ্যক সদস্যৰ মতামতৰ দ্বাৰা গৃহীত হব। যদি দুয়ো পক্ষৰ সমান ভোট হয়, তেনেহলে সভাপতিৰ বিশেষ ভোট (Casting vote)ৰ দ্বাৰা নিৰ্ণয় হব।

[ঢ] অধ্যয়ন-চক্ৰ সকলো ঠাইতে খুলি সংগঠনৰ সভ্যসকলক সচেতন আৰু সজাগ কৰিব। সকলো সভ্যই অধ্যয়ন-চক্ৰত অংশ গ্ৰহণ কৰিব।

[ণ] কোনো স্থানীয় সংগঠনৰ কৰ্ম্মকৰ্ত্তাই অবসৰ লব লগা হলে স্থানীয় কমিটী আৰু উচ্চ কমিটীৰ মতামত লব লাগিব।

[ত] প্ৰাদেশিক কমিটীৰ সম্পাদক আৰু সভাপতিয়ে পদত্যাগ কৰিব খুজিলে প্ৰাদেশিক কাৰ্য্যকৰী কমিটীৰ মতামত লব আৰু কাৰ্য্যকৰী কমিটীৰ অধিক সংখ্যক সদস্যই পদত্যাগ

কৰিব খুজিলে জৰুৰী কন্‌ভেন্‌চন আহ্বান কৰিব।

[থ] নিয়মাৱলী সংশোধন বা পৰিবৰ্ত্তন কৰিব খুজিলে বাৰ্ষিক অধিবেশনতহে কৰিব পাৰিব।

## প্ৰচাৰ ঃ—

(ক) সংগঠনৰ প্ৰচাৰ আৰু সাংস্কৃতিক উন্নতিৰ কাৰণে "সদৌ অসম প্ৰগতি ছাত্ৰ ফ্ৰণ্টৰ" এখন মুখপত্ৰ থাকিব।

(খ) প্ৰচাৰ কাৰ্য্য পৰিচালনাৰ কাৰণে আৰু মুখপত্ৰৰ সম্পাদনাৰ কাৰণে এখন প্ৰচাৰ কমিটী থাকিব। এই কমিটীয়ে ৩ জন সদস্যক লৈ মুখপত্ৰ সম্পাদনাৰ কাৰণে "সম্পাদক মণ্ডলী" গঠন কৰি দিব। প্ৰচাৰ সম্পৰ্কিয় সকলো দায়িত্ব প্ৰচাৰ কমিটীৰ ওপৰত ন্যস্ত থাকিব।

## শাস্তিমুলক ব্যৱস্থা ঃ—

[ক] কোনো সভ্যই সংগঠনৰ নিয়মাৱলী বা উচ্চ কমিটীৰ নিৰ্দ্দেশ অমান্য কৰিলে বা কাৰ্য্যকৰী কৰাত অৱহেলা কৰিলে শৃঙ্খলা ভঙ্গ কৰা বুলি গণ্য হব।

[খ] সংগঠনৰ ভিতৰত মতবিৰোধ হলে কোনো সভ্যৰ সাংগঠনিক ক্ষেত্ৰত বা নীতিৰ ক্ষেত্ৰত মতবিৰোধ হলেও প্ৰাদেশিক কাৰ্য্যকৰী কমিটীৰ চুড়ান্ত সিদ্ধান্ত মানিব লাগিব। যদি এই সিদ্ধান্ত বা নিৰ্দ্দেশৰ বিৰোধিতা কৰে; তেন্তে সংগঠনৰ পৰা চাচ্‌পেণ্ড্‌ বা বহিস্কাৰ কৰিব পৰা ক্ষমতা প্ৰাদেশিক কাৰ্য্যকৰী কমিটীৰ থাকিব।

[গ] এমাহৰ অধিক কাল চাচ্‌পেণ্ড্‌ কৰি ৰাখিব নোৱাৰিব।

OKDISCD

**পুঁজি :—**

(১) ফ্ৰণ্টৰ সাধাৰণ সভ্য বৰঙনি চাৰি অনা হব আৰু সংগঠনৰ বিভিন্ন পৰ্য্যায়ৰ যাৱতীয় কাজকৰ্ম্ম চলাবৰ বাবে প্ৰাথমিক কমিটীৰ পুঁজিত এক অনা, শাখা কমিটীৰ পুজিত এক অনা, জিলা কমিটীৰ পুজিত এক অনা আৰু প্ৰাদেশিক কমিটীৰ পুঁজিলৈ এক অনা যাব।

(২) সংগঠনৰ বিভিন্ন পৰ্য্যায়ৰ পুঁজি জনসাধাৰণৰ পৰা এক-কালীন দান হিচাবে সংগৃহীত হব আৰু তাক সেই সেই পৰ্য্যায়ৰ যাৱতীয় কাজত [ বৈঠক, অধিৱেশন, কাগজ, মুখপত্ৰ আদি ] খৰচ কৰিব পাৰিব। পুঁজি খৰচৰ পৰিস্কাৰ হিচাপ ৰাখিব লাগিব।

—:০:—

OKDISCD